TDC Even Semester Exam., 2019

ASSAMESE

(Pass)

(4th Semester)

Course No. : ASMP–401

(নাটক আৰু অসমৰ সংস্কৃতি)

Full Marks : 50
Pass Marks : 17

Time : 2 hours

The figures in the margin indicate full marks for the questions

Answer **all** questions

প্ৰথম খণ্ড

(*মূল্যাংক* : ১০)

১। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া : ১×১০=১০

(ক) 'ৰুক্মিণী-হৰণ' নাটকৰ নাট্যকাৰ কোন ?

(খ) ৰুক্মবীৰে ৰুক্মিণীক কালৈ বিয়া দিব খুজিছিল ?

(গ) কুণ্ডিন নগৰৰ ৰজাৰ নাম কি আছিল ?

(ঘ) 'কাৰেঙৰ লিগিৰী' নাটকৰ নায়িকা কোন ?

(ঙ) 'ৰুণুক, জুনুক, থুনুক' এইবোৰ কি ?

(চ) ''হ'ব। তিৰোতা আৰু সোঁচৰা ব্যাধি একে বস্তু। তাৰ এবাৰ সংস্পৰ্শত আহিলে সি তোমাক জুৰি ল'ব। ...'' সংলাপটি কাৰ ?

(ছ) সুন্দৰ কোঁৱৰৰ মাকক সকলোৱে কি বুলি সম্বোধন কৰি মাতিছিল ?

(জ) বাঁহেৰে তৈয়াৰী এবিধ বাদ্যযন্ত্ৰৰ নাম লিখা।

(ঝ) 'চাবিন আলুন' কি ?

(ঞ) 'ঐনিতম' কোন জনগোষ্ঠীয়ে গায় ?

দ্বিতীয় খণ্ড

(নাটক)

(*মূল্যাংক* : ২০)

২। (ক) অংকীয়া নাট কাক বোলে ? শংকৰদেৱে ৰচনা কৰা অংকীয়া নাটকেইখনৰ নাম লিখা। 'ৰুক্মিণীহৰণ' নাটৰ আখ্যানভাগ চমুকৈ বৰ্ণনা কৰা। ২+৩+৫=১০

অথবা

(খ) 'ৰুক্মিণীহৰণ' নাটৰ ৰুক্মিণী আৰু বেদনিধি চৰিত্ৰ দুটিৰ চৰিত্ৰ-চিত্ৰণ কৰা। ৫+৫=১০

৩। (ক) 'কাৰেঙৰ লিগিৰী' নাটকৰ সুন্দৰ কোঁৱৰ চৰিত্ৰটিৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) 'কাৰেঙৰ লিগিৰী' নাটকৰ সহায়ত অনঙ্গ আৰু কাঞ্চনমতীৰ প্ৰেমৰ বিকাশ আৰু পৰিণতি সম্পৰ্কে বিৱৰি লিখা। ১০

তৃতীয় খণ্ড

(অসমৰ সংস্কৃতি)

(*মূল্যাংক* : ২০)

৪। (ক) অসমীয়া সংস্কৃতিৰ এটি চমু পৰিচয় দাঙি ধৰা। ১০

অথবা

(খ) অসমত বসবাস কৰা যি কোনো এটা নৃগোষ্ঠীৰ বিষয়ে পৰিচয়মূলক টোকা যুগুত কৰা। ১০

অথবা

(গ) তুমি ভ্ৰমণ কৰা অসমৰ যি কোনো এটি ঐতিহ্যমণ্ডিত স্থানৰ সবিশেষ চমুকৈ বৰ্ণনা কৰা। ১০

৫। (ক) অসমৰ পৰম্পৰাগত উৎসৱ-পাৰ্বণ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

অথবা

(খ) কামৰূপী *অথবা* গোৱালপৰীয়া লোক-গীতৰ বিষয়ে চমুকৈ লিখা। ১০

অথবা

(গ) চমু টোকা লিখা (যি কোনো **দুটা**) : ৫×২=১০

(১) লোক-সংস্কৃতি

(২) কাৰবি *অথবা* ডিমাচাসকলৰ বিবাহ-পদ্ধতি

(৩) সামাজিক লোকাচাৰ

(৪) আহোমসকলৰ মৈদাম

★★★